# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 23-01-2026 **Time :** 1100 Hrs.

0000000000

জাগীৰোডৰ জোনবিলৰ পাৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। তেওঁলোকে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিছে। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বিনিময় প্ৰথাৰ মূল হাট মুকলি কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হয়। সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰিছে গোভা ৰজা দীপসিং দেওৰজাই। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে কালি পুৱা এই মেলা আৰম্ভ হয়। গোভা ৰজা দীপসিং দেওৰজাই বন্তি প্ৰজ্বলনেৰে মেলাৰ শুভাৰম্ভ কৰে। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে মেলাৰ বৰঘৰ, ডেকাচাং, চাংঘৰ আদি পৰম্পৰাগত গৃহ মুকলি কৰে।

0000000

বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত উলহ-মালহ পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানত শিক্ষাৰ্থীসকল ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ কেইবাখনো শৈক্ষিক প্ৰতিষ্ঠান তথা বিভিন্ন আবাসিক অঞ্চলত সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাত প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানতে আজি পুৱাৰেপৰা সৰস্বতী পূজা অনুষ্ঠিত হৈছে। কাছাৰ জিলাৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় আদিত সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানও বাগদেৱীৰ বন্দনাৰে মুখৰ হৈ পৰিছে। গোৱালপাৰা জিলাতো সৰস্বতী পূজাৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত পুৱাৰে পৰা প্ৰস্তুতি চলাই থকা হৈছে। একেদৰে বিশ্বনাথ জিলাতো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাক লৈ আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে। মাজুলীৰ বিভিন্ন স্থানত সৰস্বতী পূজাৰ আয়োজন কৰা হৈছে।

0000000

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজিৰেপৰা শ্ৰীবিজয়পুৰমৰ নেতাজী ষ্টেডিয়ামত তিনিদিনীয়াকৈ জন্মবাৰ্ষিকী উদযাপনৰ আয়োজন কৰা হৈছে।

অসমৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক ৰাজ্যবাসীৰ হৈ স্মৰণ কৰিছে।

ধুবুৰী জিলাৰ বিভিন্ন স্থানত দল-সংগঠনে আজি পৰাক্ৰম দিৱস উদযাপনৰ আয়োজন কৰিছে। জিলাখনৰ পাঁচমূৰত থকা নেতাজীৰ প্ৰতিমূৰ্তিস্থলীৰ লগতে গৌৰীপুৰ, সাপটগ্ৰাম, চাপৰ আদি স্থানতো বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিলাসীপাৰাত নেতাজী সেৱা সদনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পৰাক্ৰম দিৱসৰ আয়োজন কৰা হৈছে। শিলচৰতো নেতাজীৰ জন্মদিন উপলক্ষে শোভাযাত্ৰা উলিওৱা হয়। নৰসিংতোলা পথাৰৰ পৰা উলিওৱা এই শোভাযাত্ৰাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বিভিন্ন দল সংগঠনৰ সদস্য এন চি চি কেডেট আদিয়ে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰা শিলচৰৰ ইণ্ডিয়া ক্লাব পথাৰত সামৰণি পৰে।

০০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচ-কাৱাজৰ অনুশীলন কৰি থকা হৈছে। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰাৰ কথা । ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

বজালী জিলা প্ৰশাসনৰ উদ্যোগত এইবাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে ইতিমধ্যে কুচ-কাৱাজৰ অনুশীলন আৰম্ভ হৈছে। কালি জিলাখনৰ ৭ খন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে আৰক্ষী জোৱানে কুছ-কাৱাজৰ অনুশীলনত ভাগ লয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰবৰ্তীয়ে অনুশীলন প্ৰত্যক্ষ কৰাৰ লগতে যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সেইদিনা জিলা প্ৰশাসনিক বিষয়া আৰু সংবাদ মাধ্যমৰ লোকৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰীকান্দি গাঁৱৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্প এইবাৰ নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচ-কাৱাজত প্ৰদৰ্শন কৰা হ'ব। ময়ূৰপংখীৰূপত এই শিল্প আটকধুনীয়াকৈ প্ৰদৰ্শন কৰা হ'ব। ইয়াকে লৈ জিলাখনৰ পোৰামাটিৰ শিল্পীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

০০০০০০০

**সমাপ্ত**